**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। বিভিন্ন বিষয় লৈ বিৰোধী দলৰ হুলস্থূলৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসভা আজি দিনটোৰ বাবে স্থগিত ৰখা হয়।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আজি বিয়লি বিহাৰৰ সীতামড়ী জিলাৰ পুনৌৰা ধামত দেৱী সীতাৰ মন্দিৰৰ আধাৰশিলা স্থাপন কৰিব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১০ আগষ্টত অমৃতসৰ আৰু কাট্ৰাৰ শ্ৰী মাতা বৈষ্ণো দেৱীৰ মাজত চলিবলগীয়া বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীখন ভাৰ্চুৱেল মাধ্যমেৰে মুকলি কৰিব। আৰু

৪। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এই বছৰৰ শেষৰ ফালে ভাৰতৰ পৰিবহণ আৰু আনুসংগিক ব্যয় ৯ শতাংশলৈ হ্ৰাস পাব বুলি আস্থা প্ৰকাশ কৰিছে।

বিভিন্ন বিষয় লৈ বিৰোধী দলৰ হুলস্থূলৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসভা আজি দিনটোৰ বাবে স্থগিত ৰখা হয়। প্ৰথমবাৰৰ বাবে সদন স্থগিত ৰখাৰ পাছত দিনৰ ১২ বজাত সদনৰ বৈঠক পুনৰ আৰম্ভ হোৱাৰ পাছত বিহাৰৰ নিৰ্বাচনী তালিকাৰ পুনৰীক্ষণ সন্দৰ্ভত আলোচনাৰ দাবীত বিৰোধী দলৰ সদস্যসকলে পুনৰ শ্লোগান দিবলৈ আৰম্ভ কৰে। সদনত প্ৰশ্নকাল আৰম্ভ কৰিবলৈ চেষ্টা কৰা হয় যদিও বিৰোধী দলৰ সদস্যসকলে কোলাহলপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত সভাপতিয়ে সদনৰ বৈঠক দিনটোৰ বাবে স্থগিত ৰাখে।

ইয়াৰ পূৰ্বে আজি পুৱা সদনৰ বৈঠকৰ আৰম্ভণিতে ভাৰত ত্যাগ আন্দোলনৰ স্বাধীনতা সংগ্ৰামীসকলক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। উপ-সভাপতি হৰিবংশে কয়, যে কাইলৈ ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনৰ ৮৩ বছৰ সম্পূৰ্ণ হব। ১৯৪২ চনত মহাত্মা গান্ধীয়ে আৰম্ভ কৰ এই আন্দোলনে ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ অন্ত পেলোৱাৰ এক নিৰ্ণায়ক আৰু শক্তিশালী ভূমিকা পালন কৰিছিল। উপ-সভাপতিগৰাকীয়ে লগতে কয়, যে ৰাজনৈতিক দলসমূহৰ পৰা বিভিন্ন বিষয়ৰ সৈতে জড়িত ২০ জাননী লাভ কৰিছিল যদিও ৰায়দানৰ উদ্ধৃতি দি জাননী নাকচ কৰা

হয়। তেওঁ বিৰোধী দলৰ সদস্যসকলক পুনৰ নিজৰ আসনলৈ ঘূৰি গৈ সদনৰ কাৰ্যক্ৰমণিকা সুচাৰুৰূপে চলোৱাত সহায় কৰিবলৈ আহ্বান জনায়। শ্ৰী হৰিবংশে লগতে কয়, যে এই হুলস্থূলীয়া পৰিৱেশৰ ফলত সদনে ৫৬ ঘণ্টাৰো অধিক সময় হেৰুৱাইছে। ইয়াৰ পাছতো পৰিৱেশ একেই থকাৰ পপ্ৰেক্ষিতত উপ-সভাপতিয়ে সদন দিনৰ ১২ বজালৈকে স্থগিত ৰাখে।

ইফালে বিভিন্ন বিষয় লৈ বিৰোধী দলৰ হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লোকসভা দিনৰ ৩ বজালৈ স্থগিত ৰখা হৈছে। প্ৰথমবাৰ বাবে সদন স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী দলৰ সদস্যসকলে বিহাৰৰ নিৰ্বাচনী তালিকাৰ পুনৰীক্ষণ সন্দৰ্ভত আলোচনাৰ দাবীত বিৰোধী দলৰ সদস্যসকলে প্ৰতিবাদ কৰিবলৈ আৰম্ভ কৰে। প্ৰিজাইডিং বিষয়া কৃষ্ণ প্ৰসাদ টেন্নেটিয়ে বিৰোধী দলৰ সদস্যসকলক নিজৰ আসনলৈ যাবলৈ অনুৰোধ কৰে। বিৰোধী দলৰ সদস্যসকলৰ আচৰণ আপত্তিজনক বুলিও তেওঁ কয়। ইয়াৰ পাছতো পৰিৱেশ একেই থকাত সদন বিয়লি ৩ বজালৈ স্থগিত ৰখা হয়।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত ভাৰত ত্যাগ আন্দোলনৰ স্বাধীনতা সংগ্ৰামীসকলক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। লগতে এই সপ্তাহতে নতুন দিল্লীত দেহাৱসান ঘটা প্ৰাক্তন সদস্য সত্যপাল মালিকলৈও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আজি বিয়লি বিহাৰৰ সীতামড়ী জিলাৰ পুনৌৰা ধামত দেৱী সীতাৰ মন্দিৰৰ আধাৰশিলা স্থাপন কৰিব। বৈদিক মন্ত্ৰৰ জপেৰে মন্দিৰৰ আধাৰশিলা স্থাপন আৰু ভূমিপূজন কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই উপলক্ষে কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে এখন ৰাজহুৱা সমাৰেশতো ভাষণ দিব।

শ্ৰী শ্বাহে সীতামড়ীৰ পৰা ভিডিঅ' কনফাৰেন্সিং যোগে সীতামড়ী-নতুন দিল্লী অমৃত ভাৰত এক্সপ্ৰেছ ৰেলগাড়ীখনৰ যাত্ৰাও পতাকা জোকাৰি মুকলি কৰিব। ইয়াৰ দ্বাৰা বিহাৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ অঞ্চলৰ মাজেৰে নতুন দিল্লী আৰু সীতামড়ীৰ মাজত পোনপটীয়া ৰে'ল সংযোগৰ ব্যৱস্থা হ'ব।

উল্লেখযোগ্য যে সমগ্ৰ মন্দিৰ পৰিচালনাৰ বাবে অযোধ্যা মন্দিৰ ট্ৰাষ্টৰ দৰে শ্ৰী জানকী জনমভূমি পুনৌৰা ধাম মন্দিৰ ন্যাস সমিতি নামৰ এটা ট্ৰাষ্ট গঠন কৰা হৈছে। পুনৌৰা ধামত ১৬৯ ফুটতকৈও ওখ মন্দিৰ নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। ৫০ একৰ মাটিকালিত বিস্তৃত মন্দিৰ চৌহদটোৰ নিৰ্মাণ প্ৰায় ৮৮৩ কোটি টকা ব্যয়ৰে সম্পূৰ্ণ হব। অযোধ্যাৰ ৰাম মন্দিৰৰ

দৰেই নতুন জানকী মন্দিৰো নিৰ্মাণ কৰা হ'ব। এই মন্দিৰৰ নিৰ্মাণ সম্পূৰ্ণ হলে মিথিলাবাসীৰ বহুদিনীয়া আশা পূৰণ হ'ব বুলি আশা কৰা হৈছে।

আজিৰ এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ অযোধ্যা, কাশী, জনকপুৰ, আৰু দক্ষিণ ভাৰতকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা সাধু সন্তসকল উপস্থিত হৈছে। সীতামৰ্হী, জানকপুৰ, আৰু সমগ্ৰ মিথিলাঞ্চল অঞ্চলত এক উত্তেজনা আৰু উদযাপনৰ পৰিৱেশ। ভূমি পূজনৰ বাবে ২১ খন তীৰ্থস্থানৰ মাটি আৰু ৩১ খন নদীৰ পানী অনা হৈছে। পাটনাৰ মহাবীৰ মন্দিৰত প্ৰস্তুত কৰা লাডুও এই অনুষ্ঠানত বিতৰণ কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১০ আগষ্টত অমৃতসৰ আৰু কাট্‌ৰাৰ শ্ৰী মাতা বৈষ্ণো দেৱীৰ মাজত চলিবলগীয়া বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীখন ভাৰ্চুৱেল মাধ্যমেৰে ফ্লেগ অফ কৰিব। কাটৰাৰ শ্ৰী মাতা বৈষ্ণো দেৱী মন্দিৰৰ পৰা অমৃতসৰলৈ ২৬৪০৬ নম্বৰৰ আৰু ২৬৪০৫ নম্বৰৰ বন্দে ভাৰত ৰে'লগাড়ী খন অমৃতসৰৰ পৰা কাটৰাৰ শ্ৰী মাতা বৈষ্ণো দেৱী মন্দিৰলৈ মঙলবাৰৰ বাদে সপ্তাহৰ ছদিন চলিব বুলি জম্মু ৰে'ল সংমণ্ডলৰ এগৰাকী জ্যেষ্ঠ বিষয়াই আকাশবাণীৰ জম্মুৰ সংবাদদাতাক জনাইছে। ২৬৪০৬ নম্বৰ ৰে'লখনে পুৱা ৬ বাজি ৪০ মিনিটত কাটৰা ষ্টেচনৰ পৰা যাত্ৰাৰম্ভ কৰি দিনৰ বাৰ বাজি কুৰি মিনিটত অমৃতসৰ ষ্টেচনত উপস্থিত হ'ব। এই একেখন ৰে'ল অমৃতচৰৰ পৰা বিয়লি ৪ বাজি ২৫ মিনিটত যাত্ৰাৰম্ভ কৰি নিশা ১০ বজাত কাটৰা ষ্টেচনত উপস্থিত হ'ব। ইফালে উত্তৰ ৰে'লৱেই সামগ্ৰী পৰিবহনৰ বাবে কাশ্মীৰ উপত্যকাত অনন্তনাগ ষ্টেচন মুকলি কৰিছে। এটা বিবৃত্তিত ৰে'লৱেই কৈছে যে কাশ্মীৰ উপত্যকাত অৰ্থনৈতিক কাৰ্য্য বৃদ্ধিৰ বাবে উৎসাহ যোগাবলৈ উত্তৰ ৰে'লৱেই সামগ্ৰী পৰিবহনৰ ক্ষেত্ৰত আনুষ্ঠানিকভাৱে অনন্তনাগ ষ্টেচন মুকলি কৰিছে। এই ষ্টেচনটোৱে সমগ্ৰ কাশ্মীৰ উপত্যকাত ব্যৱসায়িক ক্ষেত্ৰত নতুন আৰু দক্ষ পৰিবহন বিকল্পৰ সুচনা কৰিছে। অনন্তনাগ ষ্টেচনটোৱে প্ৰতিদিনে পুৱা ৬বজাৰ পৰা নিশা ১০ বজালৈ ৰে'লৱে ট্ৰেকৰ মাজেৰে সকলো ধৰণৰ সামগ্ৰীৰ পৰিবহন পৰিচালনা কৰিব।

ooooo

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এই বছৰৰ শেষৰ ফালে ভাৰতৰ পৰিবহণ আৰু আনুসংগিক ব্যয় ৯ শতাংশলৈ হ্ৰাস পাব বুলি আস্থা প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি এটা ব্যক্তিগত নিউজ চেনেলৰ উদ্যোগত অনুষ্ঠিত এখন সন্মিলনত ভাষণ দি শ্ৰী গাডকাৰীয়ে দেশৰ আন্তঃগাঁথনি যথেষ্ট উন্নতি ঘটাৰ বাবে এই হ্ৰাস সম্ভৱ হব বুলি কয়।

মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে পৰিবহণ আৰু আনুসংগিক ব্যয়ৰ এই হ্ৰাসে দেশৰ ৰপ্তানি খণ্ডক এক বৃহত গতি প্ৰদান কৰিব। যাৰ ফলত ৰপ্তানি এক দশমিক পাঁচ গুণ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। শ্ৰী গাডকাৰীয়ে কয়, যে কৃষি আৰু মিত্ৰ খণ্ডৰ বৃদ্ধি চৰকাৰৰ বিশেষ অগ্ৰাধিকাৰৰ অন্তৰ্গত। এই খণ্ডৰ বৃদ্ধিয়ে মুঠ ঘৰুৱা উৎপাদনত যথেষ্ট অৰিহণা যোগাব বুলিও তেওঁ কয়।

০০০০০

সাৰৰ চোৰাং কাৰবাৰ আৰু মজুতকৰণ ৰোধ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিৱদ্ধ। লোকসভাত আজি শূণ্যকালীন ঘণ্টাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় ৰসায়ন আৰু সাৰ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই এইদৰে কয়। শ্ৰী নাড্ডাই কয় যে সাৰক অত্যাৱশ্যকীয় সামগ্ৰী হিচাপে ঘোষণা কৰা হৈছে। সাৰ নিয়ন্ত্ৰণ আদেশ FCO 1985 আৰু সাৰ পৰিবহন নিয়ন্ত্ৰণ আদেশ ১৯৭৩ ৰ অধীনত সাৰক অত্যাৱশ্যকীয় সামগ্ৰী হিচাপে ঘোষণা কৰা হৈছে।

০০০০০

বাংলাদেশৰ গাজীপুৰ চহৰত কালি নিশা দুৰ্বৃত্তই ডিঙি চেপি এগৰাকী সাংবাদিকক হত্যা কৰে। ইয়াৰ পূৰ্বে কালি বিয়লি সাংবাদিকগৰাকীয়ে সেই স্থানৰ পৰা পদপথৰ ব্যৱসায়ী আৰু স্থানীয় দোকানসমূহৰ পৰা বলপূৰ্বক ধন দাবীৰ ভিডিঅ ফেচবুক যোগে প্ৰচাৰ কৰিছিল।

বাংলাদেশৰ বাতৰি কাকত মালিক সংস্থাই এই ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে দেশখনত সংবাদমাধ্যমৰ স্বাধীনতা আৰু সাংবাদিকৰ নিৰাপত্তাৰ ক্ষেত্ৰত প্ৰশ্ন উত্থাপন কৰিছে।

এটা বিবৃতিত কালি সংস্থাটোৱে কয়, যে বাংলাদেশৰ জনসাধাৰণে যোৱা জুলাই মাহত দেশখনত হোৱা গণবিক্ষোভৰ জৰিয়তে এখন মুক্ত আৰু গণতান্ত্ৰিক সমাজ নিৰ্মাণৰ আশা কৰিছিল। আমি এই গণবিক্ষোভৰ জৰিয়তে বিশ্বাস কৰিছিলো য়ে, দেশখনত মৌলিক অধিকাৰৰ লগতে সংবাদ মাধ্যমৰ পূৰ্ণ স্বাধীনতা থাকিব। কিন্তু দুৰ্ভাগ্য বশতঃ এটা বছৰৰ ভিতৰতে সেই আশা মষিমূৰ হৈছে।

০০০০০

চেন্নাইত অনুষ্ঠিত হোৱা সন্মানীয় কোৱাণ্টবক্স চেন্নাই গ্ৰেণ্ডমাষ্টাৰছ ,২০২৫ প্ৰতিযোগিতাত বিশ্বৰ ৫ নং স্থানৰ খেলুৱৈ অৰ্জুন এৰিগাইছি আৰু জাৰ্মান গ্ৰেণ্ডমাষ্টাৰ ভিনচেণ্ট কেইমাৰে বিজয়েৰে নিজৰ অভিযান আৰম্ভণি কৰিছে। স্থানীয় গ্ৰেণ্ডমাষ্টাৰ প্ৰণৱ পঞ্চম আৰু কাৰ্তিকেয়ান মুৰালীৰ মাজত খেল ড্ৰ হয়৷ বিশ্বৰ ৬ নম্বৰ স্থানৰ প্ৰাক্তন অনিশ গিৰি আৰু আমেৰিকাৰ গ্ৰেণ্ড

মাষ্টাৰ ৰে ৰবছনৰ খেলখন ড্ৰ হোৱাৰ, লগতে ভাৰতৰ বিদিত গুজৰাথী আৰু ডাটচ গ্ৰেণ্ড মাষ্টাৰ জৰ্ডেন ভান ফৰেষ্টৰ মাজত হোৱা খেলখনো ড্ৰৰে অন্ত পৰে। চেলেঞ্জাৰছ শাখাত শীৰ্ষস্থানীয় ভাৰতীয় গ্ৰেণ্ড মাষ্টাৰসকলেও অন্য খেলুৱৈক প্ৰত্যাহ্বান জনায়। দীপ্তায়ন ঘোষ, লিঅ'ন লুক মেণ্ডনকা, আৰু এম প্ৰাণেশে প্ৰথম ৰাউণ্ডত জয় লাভ কৰে। মহিলা গ্ৰেণ্ড মাষ্টাৰ বৈশালি ৰমেশবাবু, গ্ৰেণ্ড মাষ্টাৰ অভিমন্যু পুৰাণিক, আৰু গ্ৰেণ্ড মাষ্টাৰ ইনিয়ান পায়ে তেঁওলোকৰ খেলসমূহ ড্ৰ' খেলে। অভিজ্ঞ খেলুৱৈ হৰিকা দ্ৰোনাৱল্লী, আৰয়ান চোপ্ৰা, আৰু হৰ্ষবৰ্ধন জি বিয়ে প্ৰথম ৰাউণ্ডৰ পৰাজয়ৰ সন্মুখীন হয়। তৃতীয় সংস্কৰণত উপনীত হোৱা কোৱাণ্টবক্স চেন্নাই গ্ৰেণ্ডমাষ্টাৰছে ভাৰতৰ আটাইতকৈ শক্তিশালী ধ্ৰুপদী ফৰ্মেটৰ দবা প্ৰতিযোগিতা হিচাপে নিজৰ স্থান নিশ্চিত কৰিছে । দহ দিনীয়া, ৯ ৰাউণ্ডৰ এই প্ৰতিযোগিতাত মাষ্টাৰছ আৰু চেলেঞ্জাৰচ দুটা শাখাত ২০ জন আগশাৰীৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। ইয়াত সৰ্বমুঠ ১ কোটি টকাৰ পুৰস্কাৰ আছে। ৬ আগষ্টৰ পৰা ১৫ আগষ্টলৈ চলিব লগীয়া এই প্ৰতিযোগিতাখনৰ সকলো খেল ৩ বজাৰ পৰা আৰম্ভ হয়। ইউটিউব আৰু অন্যান্য প্ৰধান প্লেটফৰ্মত খেলসমূহৰ লাইভ সম্প্ৰচাৰ কৰা হয়।

০০০০০

***সমাপ্ত***